**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ২২৪/২০১৯**

**শোণিতপুৰত হাতী-মানুহৰ সংঘাত বিষয়ক জিলা পৰ্যায়ৰ সভা**

**তেজপুৰ, ১৭ নবেম্বৰ :** শোণিতপুৰ জিলাখনত বৰ্তমান চলি থকা হাতী-মানুহৰ সংঘাতৰ সমাধান বিচাৰি কালি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হৈ যায় । জিলা উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙৰ সভাপতিত্বত আয়োজন কৰা সভাত জিলা প্ৰশাসনৰ উচ্চোপদস্থ বিষয়া, বন বিভাগ আৰু আন সংশ্লিষ্ট বিভাগৰ বুৰঞ্জী বিষয়া আৰু গাঁও পঞ্চায়তৰ প্ৰতিনিধিসকল উপস্থিত থাকে ।

সভাত উপস্থিত সকলো পক্ষৰ পৰা সামগ্ৰিক পৰিস্থিতিৰ বুজ লোৱাৰ পাছত উপায়ুক্তগৰাকীয়ে ধেকিয়াজুলি, চাৰিদুৱাৰ, তেজপুৰৰ ৰাজহ চক্ৰ বিষয়াসকলক এই সমস্যাৰ ফলপ্ৰসু সমাধানৰ বাবে নিজ নিজ এলেকাত এনে সমস্যাৰ ভুক্তভোগী আৰু স্থানীয় ৰাইজ, বন বিভাগ আৰু আৰক্ষীক লগত লৈ কাম কৰি যাবলৈ নিৰ্দেশ দিয়ে ।

সভাত বনাঞ্চল ধ্বংসৰ ফলত বন্যহস্তীৰ বসতি এলেকা হ্ৰাস, হস্তী-মানৱ সংঘাতৰ ফলত ক্ষতিৰ সন্মুখীন হোৱা কৃষকক ক্ষতিপূৰণ আদায়, বন্যহস্তীৰ বিচৰণ পথৰ কাষেদি যোৱা ৰেলৰ গতি হ্ৰাস, মানৱ বিহীন ৰেলৱে ক্ৰচিঙ আদি সমস্যাসমূহৰ ওপৰতো আলোচনা কৰা হয় ।

বৰ্তমান মোৱামাৰী আৰু খোলাকুটি অঞ্চলত অৱস্থান কৰি থকা হাতীৰ জাকক নিয়ন্ত্ৰণ কৰিবলৈ কুংকী হাতী ব্যৱহাৰ কৰাৰ ওপৰতো এই সভাত আলোচনা কৰা হয় ।

উপায়ুক্তই অসম বিদ্যুত বিতৰণ কোম্পানী লিমিটেডৰ বিষয়ববীয়াকো দুৰ্বল হৈ থকা বৈদ্যুতিক তাঁৰসমূহ মেৰামতিৰ দিশত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে ।

সভাত উপায়ুক্তই লগতে সংৰক্ষিত বনাঞ্চলৰ পৰা ওলাই অহা বন্যহস্তীৰ গতিবিধিৰ ওপৰত বিস্তৃত অধ্যয়ন কৰি এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনাৰ প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে ।

তেওঁ লগতে স্থানীয় ৰাইজক অধিক সজাগ হৈ থাকি হস্তী-মানৱৰ শান্তিপূৰ্ণ সহাৱস্থানৰ বাবে উপযুক্ত পৰিবেশ গঢ়ি তোলাৰ দিশত কাম কৰিবলৈ আগুৱাই আহিবলৈও আহ্বান জনায় ।

সভাত আৰক্ষী অধিক্ষক কুমাৰ সঞ্জিত কৃষ্ণ, অতিৰিক্ত উপায়ুক্ত পৰাগ কাকতি, বন সংমণ্ডল বিষয়া ৰঞ্জিত কোঁৱৰ, পঙ্কজ শৰ্মা, ৰাহজ চক্ৰ বিষয়া সব্যসাচী কাশ্যপ, ড০ সূৰ্যকমল বৰা, পঙ্কজ চমুৱা আদি উপস্থিত থাকে।